জনসংযোগ, অসম　　　　　　　　　　　　　　　　　　　　　　　　　　　প্ৰেছ বাৰ্তা নং ঃ ১২২

# ১২ জুলাইৰ পৰা অসম বিধান সভাৰ বাজেট অধিবেশন
## ১৬ জুলাইত ২০২১-২২ বৰ্ষৰ প্ৰাক্‌কলিত বাজেট উপস্থাপন

**দিছপুৰ, ৯ জুলাই** ঃ পঞ্চদশ অসম বিধান সভাৰ বাজেট অধিবেশন, ২০২১ অহা ১২ জুলাইৰ পৰা আৰম্ভ হ'ব। এই অধিবেশনৰ অন্ত পৰিব অহা ১৩ আগষ্ট, ২০২১ তাৰিখে। আৰম্ভণিৰ দিনটোত মৃত্যু প্ৰসঙ্গ আৰু প্ৰশ্নৰ পিছতে অধ্যক্ষই বিধান সভাৰ ২০২১ চনৰ বাজেট অধিবেশনৰ বাবে কাৰ্যসূচী স্থিৰ কৰি কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ঘোষণা কৰিব। ইয়াৰ পিছত অধ্যক্ষই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত সদন পৰিচালনাৰ বাবে মনোনীত সভাপতিসকলৰ নাম ঘোষণা কৰিব। সেই দিনটোতে অন্যান্য কাৰ্যসূচীৰ লগতে চৰকাৰী বিধেয়কসমূহ উপস্থাপন আৰু ২০২১-২০২২ চনৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনসমূহৰ তালিকা উপস্থাপন কৰা হ'ব।

১৩ জুলাইত বে-চৰকাৰী সদস্যৰ কাৰ্যসূচী আৰু ১৪, ১৫ জুলাইত অধিবেশনৰ চৰকাৰী কাৰ্যসূচীসমূহ চলিব। ২০২১-২০২২ বৰ্ষৰ বাৰ্ষিক বিত্তীয় প্ৰতিবেদন (প্ৰাক্‌কলিত বাজেট) উপস্থাপন কৰা হ'ব অহা ১৬ জুলাই তাৰিখে।

অধিবেশনৰ সময়ছোৱাত বন্ধ দিনসমূহৰ বাদে ২২ জুলাইৰ পৰা ৩ আগষ্টলৈ বিভাগীয়ভাবে সম্পৰ্কিত স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে জিৰণি থাকিব।

৬ আগষ্টৰ দিনাখন ২০২১ চনৰ অসম বিনিয়োজন (নং) বিধেয়কখনৰ উপস্থাপন, বিবেচনা আৰু পাৰিতকৰণ হ'ব।

অধিবেশনৰ পৰৱৰ্তী দিনসমূহত নিৰ্দিষ্ট ক্ৰম অনুসৰি চৰকাৰী আৰু বে-চৰকাৰী সদস্যৰ কাৰ্যসূচী চলি থাকিব। ১২ আগষ্টৰ দিনাখন থাকিব অধ্যক্ষৰ উদ্যোগৰ কাৰ্যসূচী। অধিবেশনৰ অন্তিম দিন ১৩ আগষ্ট তাৰিখে চৰকাৰী বিধেয়কসমূহ বিবেচনা, পাৰিতকৰণ আৰু অন্যান্য অসমাপ্ত চৰকাৰী কাৰ্যসূচীৰ পিছত অধ্যক্ষই অনিৰ্দিষ্ট কালৰ বাবে স্থগন ঘোষণা কৰাৰ লগে লগে এই বাজেট অধিবেশনৰ অন্ত পৰিব।

মে.চৌ./প্ৰ.কু.দ./০৯-০৭-২০২১